অধ্যায় ৭ ঃ ৰাজ্যিক লোকসেৱা আয়োগ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ৰাজ্যিক লোকসেৱা আয়োগ
৭.৩.১ ৰাজ্যিক লোকসেৱা আয়োগৰ গঠন
৭.৩.২ ৰাজ্যিক লোকসেৱা আয়োগৰ কাৰ্যাৱলী
৭.৩.৩ আয়োগসমূহৰ বাৰ্ষিক প্ৰতিবেদন
৭.৪ লোকসেৱা আয়োগসমূহৰ স্বতন্ত্ৰতা ঃ প্ৰশাসনীয় সংস্কাৰ আয়োগৰ পৰামৰ্শাৱলী
৭.৪.১ লোকসেৱা আয়োগৰ স্বতন্ত্ৰতা
৭.৪.২ প্ৰশাসনীয় সংস্কাৰ আয়োগ (Administrative Reforms Commission)ৰ পৰামৰ্শাৱলী (১৯৬৬)
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্ৰগতিৰ খতিয়ান
৭.৮ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাজ্যিক লোকসেৱা আয়োগৰ গঠন সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।
- ৰাজ্যিক লোকসেৱা আয়োগৰ কাৰ্যাৱলী সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।
- প্ৰশাসনীয় সংস্কাৰ আয়োগ (১৯৬৬)ৰ পৰামৰ্শাৱলী সম্পৰ্কে আলোচনা কৰিব পাৰিব।
- লোকসেৱা আয়োগৰ স্বতন্ত্ৰতা সম্পৰ্কে আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

ইতিমধ্যে আলোচনা কৰা হৈছে যে ভাৰতীয় সংবিধানে অসামৰিক সেৱাৰ তিনি তৰপীয়া বিভাজন ঘটাইছে। সেয়া হৈছে— সৰ্বভাৰতীয় সেৱা (All India Services), কেন্দ্ৰীয় সেৱা (Central Services) আৰু ৰাজ্যিক সেৱা (State Services)। সৰ্বভাৰতীয় সেৱাই কেন্দ্ৰ আৰু ৰাজ্য উভয়কে সাঙুৰি লয়। সংবিধানত উল্লিখিত কেন্দ্ৰীয় সূচীৰ বিষয়সমূহৰ প্ৰশাসনৰ বাবে কেন্দ্ৰীয় সেৱা দায়ৱদ্ধ (যেনে— বৈদেশিক পৰিক্ৰমা, প্ৰতিৰক্ষা, আয়কৰ, সীমা শুল্ক, ডাকসেৱা আৰু টেলিগ্ৰাফ, ৰেলসেৱা, পৰিকল্পনা, ইত্যাদি কেন্দ্ৰীয় চৰকাৰৰ পোনপটীয়া নিয়ন্ত্ৰণত

এই সেৱাসমূহ পৰিচালিত হয়। ৰাজ্য চৰকাৰসমূহে নিযুক্তি দিয়া বিষয়াসকলৰ দ্বাৰা ৰাজ্যিক সেৱা গঠিত হয়। ৰাজ্যিক সূচীৰ অন্তর্গত বিষয়ৰ প্রশাসনিক কাম-কাজৰ দায়িত্ব ইয়াৰ ওপৰত ন্যস্ত থাকে (যেনে— কৃষি, বন, শিক্ষা, আৰক্ষী, জনস্বাস্থ্য, ইত্যাদি) এনে সেৱাসমূহৰ নিযুক্তি আৰু পৰিচালনাৰ বাবে এক সুসংহত সংস্থা থকাটো নিতান্তই প্রয়োজনীয়। ভাৰতীয় সংবিধানে সেয়েহে কেন্দ্র আৰু প্রতিখন ৰাজ্যৰ বাবে একোখনকৈ লোকসেৱা আয়োগৰ ব্যৱস্থা কৰিছে। কেন্দ্রীয় লোকসেৱা আয়োগৰ সমান্তৰালকৈ ৰাজ্যসমূহতো এখন ৰাজ্যিক লোকসেৱা আয়োগ থাকে। ভাৰতবর্ষৰ সংবিধানৰ চতুর্দশ অধ্যায়ৰ (Part XIV) ৩১৫ পৰা ৩২৩ ৰ নং অনুচ্ছেদত দেশৰ কেন্দ্র আৰু প্রত্যেক ৰাজ্যতে যথাক্রমে কেন্দ্রীয় লোকসেৱা আয়োগ আৰু ৰাজ্যিক লোকসেৱা আয়োগ প্রতিষ্ঠাৰ সুবিধা প্রদান কৰা হৈছে আৰু এককেইটা অনুচ্ছেদতে লোকসেৱা আয়োগ এখনৰ গঠন প্রণালী, সদস্যৰ নিযুক্তি আৰু অপসাৰণ পদ্ধতি, লোকসেৱা আয়োগৰ ক্ষমতা আৰু কার্যাৱলী, স্বতন্ত্রতা আদি বিষয়সমূহো সন্নিৱিষ্ট কৰা হৈছে। ভাৰতৰ প্রত্যেক খন ৰাজ্যতে নিজা নিজা লোকসেৱা আছে যাক ৰাজ্যিক লোকসেৱা আয়োগ বা আন আন সংস্থাই নির্বাচন কৰে।

সংবিধানত এইটোও উল্লেখ আছে যে দুই বা ততোধিক ৰাজ্যৰ বিধানমণ্ডলে কর্তৃত্ব প্রদান কৰিলে সংসদে প্রস্তাৱ গ্রহণ কৰি উক্ত ৰাজ্যসমূহৰ বাবে যুটীয়া আয়োগ গঠন কৰিব পাৰে। লোকসেৱা আয়োগসমূহ হৈছে এক স্বতন্ত্র সাংবিধানিক সংস্থা। এইবোৰ চৰকাৰী বা ৰাজনৈতিক নিয়ন্ত্রণ তথা হস্তক্ষেপৰ ঊর্ধ্বত। এই আয়োগসমূহৰ ওপৰত নিযুক্তি তথা লোকসেৱা ব্যৱস্থাৰ সমগ্র পৰিচালনাৰ দায়িত্ব অর্পণ কৰা হৈছে।

এই অধ্যায়টিত আমি ৰাজ্যিক লোকসেৱা আয়োগৰ সৈতে জড়িত বিভিন্ন দিশ আলোচনা কৰিম। আমি লোকসেৱা আয়োগসমূহৰ স্বতন্ত্রতাৰ সম্পর্কেও আলোচনা কৰিম ।



জানি থোৱা ভাল

১৯১৯ চনৰ 'ভাৰত চৰকাৰ আইন'ৰ অধীনত ১৯২৬ চনত পোন প্রথমবাৰৰ বাবে ভাৰতবর্ষত কেন্দ্রীয় লোকসেৱা আয়োগ নামেৰে প্রথমটো লোকসেৱা আয়োগ গঠন কৰা হয়। ১৯৩৫ চনত ভাৰত চৰকাৰৰ আইন কার্যকৰী হোৱাৰ লগে লগে ১৯৩৭ চনত ইয়াক যুক্তৰাষ্ট্রীয় লোকসেৱা আয়োগ (Federal Public Service Commission) নামেৰে নামকৰণ কৰা হয়।

৭.৩ ৰাজ্যিক লোকসেৱা আয়োগ

ভাৰতীয় সংবিধানৰ ৩১৫(১) নং অনুচ্ছেদে কেন্দ্র তথা প্রতিখন ৰাজ্যৰ বাবে একোখনকৈ লোকসেৱা আয়োগৰ ব্যৱস্থা কৰিছে।

৭.৩.১ ৰাজ্যিক লোকসেৱা আয়োগৰ গঠন

ৰাজ্যিক লোকসেৱা আয়োগ এখনৰ অধ্যক্ষ আৰু অন্যান্য সদস্যসকলক ৰাজ্যপালে নিযুক্তি দিয়ে। আয়োগ এখনৰ শক্তিমত্তা সংবিধানে বিশেষভাৱে নির্ধাৰণ কৰি দিয়া নাই। ইয়াৰ অৱশিষ্ট বিষয়সমূহ ৰাজ্যপালৰ ইচ্ছাধীন। আয়োগ এখনৰ আধাসংখ্যক সদস্য এনে ধৰণৰ হোৱা উচিত যি সকল অতি কমেও দহবছৰ ভাৰত চৰকাৰ বা কোনো এখন ৰাজ্য চৰকাৰ অধীনত কর্ম সম্পাদন কৰিছে। ইয়াৰ বাহিৰে আয়োগৰ সদস্যসকলৰ অর্হতাৰ যথাবিহিত উল্লেখ নাই। সংবিধানে আয়োগৰ অধ্যক্ষ আৰু সদস্যসকলৰ কাম-কাজ বা সেৱাৰ মান বা পৰিৱেশ নির্ধাৰণ কৰাৰ বাবে ৰাজ্যপালক অতিৰিক্ত ক্ষমতা প্রদান কৰিছে।

আয়োগৰ অধ্যক্ষ আৰু সদস্যসকলে ছয় বছৰীয়া এটা কার্যকালৰ বাবে সংশ্লিষ্ট পদত থাকিব পাৰে বা ৬২ বছৰ হোৱালৈকে সদস্য বা অধ্যক্ষ হৈ থাকিব পাৰে। অৱশ্যে কেন্দ্রীয় লোকসেৱা আয়োগৰ অধ্যক্ষ বা সদস্যসকলৰ বয়সৰ উচ্চ সীমা ৬৫ বছৰ। অৱশ্যে যিকোনো সময়তে আয়োগৰ সদস্য বা অধ্যক্ষই ৰাজ্যপাললৈ পদত্যাগ পত্র পঠিয়াই নিজ পদৰ পৰা অব্যাহতি ল'ব পাৰে। ৰাজ্যৰ সঞ্চিত নিধিৰ পৰা ৰাজ্যিক লোকসেৱা আয়োগৰ সদস্যসকলৰ দৰমহা দিয়া হয়।

> ৰাজ্যিক লোকসেৱা আয়োগৰ কোনো সদস্যক অৱসৰৰ পাছত কেন্দ্রীয় লোকসেৱা আয়োগৰ অধ্যক্ষ বা সদস্যৰূপে পুনৰ নিযুক্তি দিব পৰা যায়। অৱশ্যে এইখিনিতে উল্লেখ কৰাৰ প্রয়োজন যে তেওঁলোকক কেন্দ্র তথা ৰাজ্য চৰকাৰৰ আন কোনো পদতে নিযুক্তি দিব পৰা নাযায়।

ইয়াৰ উপৰি ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ বা সদস্য এজনক যিকোনো অসৎ আচৰণৰ বাবেও ৰাষ্ট্রপতিয়ে অপসাৰণ কৰিব পাৰে। অৱশ্যে, এনেকুৱা ঘটনাৰ ক্ষেত্রত ৰাষ্ট্রপতিয়ে বিষয়টোৰ অনুসন্ধানৰ কাৰণে উচ্চতম ন্যায়ালয়লৈ প্রেৰণ কৰে। উচ্চতম ন্যায়ালয়ে অনুসন্ধান কৰি অপসাৰণ কার্যটোক যদি সমর্থন কৰে তেতিয়া অপসাৰণৰ বাবে পৰামর্শ আগবঢ়ায় আৰু তেতিয়া ৰাষ্ট্রপতিয়ে অধ্যক্ষ বা সদস্য এজনক অপসাৰণ কৰিব পাৰে। সংবিধানৰ প্রদত্ত নিয়ম অনুসৰি উচ্চতম ন্যায়ালয়ৰ উপদেশ পত্রৰ ওচৰত ৰাষ্ট্রপতি দায়বদ্ধ। অৱশ্যে উচ্চতম ন্যায়ালয়ৰ দ্বাৰা অনুসন্ধান কার্য চলি থকাৰ সময়ছোৱাৰ মাজতে, উচ্চতম ন্যায়ালয়ৰ প্রতিবেদন মতে ৰাষ্ট্রপতিৰ চূড়ান্ত অপসাৰণ আদেশৰ অপেক্ষাৰত অৱস্থাতে ৰাজ্যপালে সংশ্লিষ্ট অধ্যক্ষ বা সদস্যক নিলম্বন কৰিব পাৰে। অৱশ্যে এই প্রসংগত সংবিধানে 'অসৎ আচৰণ' পৰিভাষাৰ ব্যাখ্যাও আগবঢ়াইছে।

৭.৩.২ ৰাজ্যিক লোকসেৱা আয়োগৰ কার্যাৱলী

ৰাজ্যিক লোকসেৱা আয়োগে তলত দিয়া কার্যসমূহ সম্পাদন কৰিব লাগে।

ক) ৰাজ্য চৰকাৰৰ বিভিন্ন সেৱাত মকৰলৰ বাবে লিখিত পৰীক্ষা তথা ব্যক্তিত্ব পৰীক্ষা অনুষ্ঠিত কৰা।

খ) ৰাজ্যিক বিধানমণ্ডলে ক্ষমতা প্রদান কৰা কোনো বিষয়ৰ ওপৰত কার্য সম্পাদন কৰা।

গ) আয়োগৰ কার্যাৱলী সম্পর্কে ৰাজ্যপালৰ ওচৰত বার্ষিক প্রতিবেদন দাখিল কৰা।

ঘ) ৰাজ্যপাল বা ৰাজ্য চৰকাৰে আৰু ৰাজ্যপালে তলত দিয়া বিষয়সমূহৰ ক্ষেত্রত ৰাজ্যিক লোকসেৱা আয়োগৰ লগত আলাপ-আলোচনা কৰিব পাৰে—

(১) অসামৰিক সেৱাৰ বিষয়া নিযুক্তিৰ প্রক্রিয়াত জড়িত সকলো বিষয়ত।

(২) অসামৰিক সেৱাৰ বিষয়াসকলক নিযুক্তি দিবলৈ আৰু এটা সেৱাৰপৰা আন এটা সেৱালৈ বদলিকৰণ আৰু পদোন্নতি কৰণ আদিত অনুসৰণ কৰিবলগীয়া নীতি-নিয়ম সমূহত।

(৩) অসামৰিক সেৱা আৰু পদৰ কাৰণে নিযুক্তি পাবলগীয়া প্রার্থীৰ উপযুক্ততা; এটা সেৱাৰ পৰা অন্য এটা সেৱালৈ বদলিকৰণ আৰু পদোন্নতিৰ কাৰণে উপযুক্ততা; বদলিকৰণ বা ডেপুটেশ্যনৰ জৰিয়তে নিযুক্তি আদিবোৰ। সংশ্লিষ্ট বিভাগে পদোন্নতিৰ বাবে অনুমোদন আৰু তেওঁলোকক স্বীকৃতিৰ বাবে ৰাজ্যিক লোকসেৱা আয়োগক অনুৰোধ জনায়।

(৪) স্মাৰক পত্র বা প্রতিবেদন সম্পর্কীয় এনেধৰণৰ বিষয়সমূহ সামৰি অসামৰিক দক্ষতাৰে ৰাজ্য চৰকাৰৰ অধীনত কাম কৰা ব্যক্তি এজনক প্রভাৱিত কৰিব পৰা সকলো ধৰণৰ অনুশাসনমূলক ব্যৱস্থা। এই বিষয়সমূহত আছে অভিযোগ ককর্থনা (তীব্র অসমর্থন), দৰমহা বৃদ্ধি বন্ধ কৰি ৰখা, পদোন্নতি বন্ধ, আর্থিক ক্ষতিৰ পৰা উদ্ধাৰ, নিম্ন সেৱা বা পদলৈ পৰিৱর্তন (পদাৱনতি), বাধ্যতামূলক অৱসৰ, চাকৰিৰ পৰা অপসাৰণ, চাকৰিৰ পৰা অব্যাহতি।

(৫) অসামৰিক বিষয়া এজনে তেওঁ চৰকাৰী কর্তব্য সম্পাদন কৰাৰ ক্ষেত্রত তেওঁৰ বিৰুদ্ধে উত্থাপিত আইনগত প্রক্রিয়াক প্রতিৰোধ জনাই তেওঁ আইনী ব্যয়ৰ যথাযোগ্য পৰিশোধ দাবী।

(৬) ৰাজ্যিক চৰকাৰৰ অধীনত কাম কৰি থকা অৱস্থাত আহত বা জখম হোৱা ব্যক্তি এজনৰ পেন্সন প্রদান সম্পর্কীয় যিকোনো দাবী আৰু এনে যিকোনো দেওনাৰ পৰিমাণ সম্পর্কীয় যিকোনো সমস্যা।

(৭) কর্মচাৰী পৰিচালনা সম্পর্কীয় অন্য যিকোনো বিষয়।

কেন্দ্রীয় লোকসেৱা আয়োগৰ দৰে ৰাজ্যিক লোকসেৱা আয়োগসমূহেও ৰাজ্যিক চৰকাৰৰ বিভিন্ন সেৱাত নিযুক্তিৰ ক্ষেত্রত স্বতন্ত্রতা ভোগ কৰে। আয়োগসমূহে সেৱা আগবঢ়াওঁতে পক্ষপাতিত্বহীনভাৱে তথা স্বতন্ত্রৰীয়ভাবে কার্যনির্বাহ কৰাৰ কথা ভবা যায়।



জানি থোৱা ভাল

ভাৰতবর্ষত ৰাজ্যিক লোকসেৱা আয়োগসমূহে অসামৰিক সেৱাত নিযুক্তিৰ বাবে দুই ধৰণৰ পৰীক্ষা অনুষ্ঠিত কৰে। প্ৰাৰম্ভিক (preliminary) আৰু মূল পৰীক্ষা। প্ৰাৰম্ভিক পৰীক্ষাত উত্তীর্ণ হোৱা সকলেহে মূল পৰীক্ষাত অৱতীর্ণ হোৱাৰ সুযোগ লাভ কৰে।

প্ৰাৰম্ভিক পৰীক্ষা সাধাৰণতে বস্তুনিষ্ঠ প্ৰকাৰৰ প্ৰশ্নৰ সহায়ত লোৱা হয় যাতে মূল পৰীক্ষণলৈ কেৱল সীমিত সংখ্যক প্ৰার্থীকহে বাছনি কৰিব পৰা যায়। বর্ণনাত্মক লিখিত পৰীক্ষা আৰু মৌখিক পৰীক্ষাৰ দ্বাৰা মূল পৰীক্ষা অনুষ্ঠিত কৰা হয়।

৭.৩.৩ আয়োগসমূহৰ বার্ষিক প্ৰতিবেদন

ৰাজ্যিক লোকসেৱা আয়োগে ইয়াৰ কার্য সম্পাদনৰ ওপৰত ৰাজ্যপালক বছেৰেকীয়া প্ৰতিবেদন প্ৰদান কৰে। ৰাজ্যপালে তেতিয়া এই প্ৰতিবেদনৰ লগতে এক স্মাৰক পত্ৰ বা খতিয়ানটোক ৰাজ্যিক বিধানমণ্ডলৰ সদনত উপস্থাপন কৰে য'ত আয়োগৰ উপদেশ গ্ৰহণ নকৰা আৰু এনে অগ্ৰাহ্য কৰাৰ কাৰণৰ ব্যাখ্যা সন্নিৰিষ্ট হৈ থাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ আৰু সদস্যসকলক ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ২ ঃ ৰাজ্যিক লোকসেৱা আয়োগ কেনে দৰে গঠন হয়?

.....

.....

প্ৰশ্ন নং ৩ ঃ এনে যিকোনো পাচটা বিষয়ৰ বিষয়ে লিখক যি ক্ষেত্ৰত ৰাজ্যপাল বা ৰাজ্য চৰকাৰে ৰাজ্যিক লোকসেৱা আয়োগসমূহৰ লগত আলাপ-আলোচনা কৰিব পাৰে।

.....

.....

৭.৪ লোকসেৱা আয়োগসমূহৰ স্বতন্ত্রতা, প্রশাসনীয় সংস্কাৰ আয়োগৰ পৰামর্শসমূহ

৭.৪.১ লোকসেৱা আয়োগৰ স্বতন্ত্রতা

সংবিধানত উল্লেখ থকা মতে লোকসেৱা আয়োগসমূহ হৈছে এক স্বতন্ত্রৰীয়া বিধিগত অনুষ্ঠান বা সংস্থা। আয়োগৰ স্বতন্ত্রতা ৰক্ষণৰ হকে তলত দিয়া পদক্ষেপসমূহ গ্রহণ কৰা হৈছে।

অৱসৰৰ পাছত নিযুক্তিত বাধা ঃ সংবিধানে কেন্দ্রীয় লোকসেৱা আয়োগৰ অধ্যক্ষজনক কেন্দ্রীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰৰ কোনো পদবীতে পুনৰ নিযুক্তিৰ ক্ষেত্রত বাধা প্রদান কৰিছে। কেন্দ্রীয় লোকসেৱা আয়োগৰ অধ্যক্ষৰ বাদে অন্য সদস্যই অধ্যক্ষৰ পদলৈ পুনৰ নিযুক্তি লাভ কৰিব পাৰে। ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষৰ বাদে অন্য সদস্যই অধ্যক্ষৰ পদলৈ পুনৰ নিযুক্তি লাভ কৰিব পাৰে। ৰাজ্যিক লোকসেৱা আয়োগৰ সদস্যসকলৰ ক্ষেত্রতো একেই নিয়মৰ কিছু তাৰতম্য দেখিবলৈ পোৱা যায়। এইখিনিতে এইটো উল্লেখ কৰা প্রয়োজন যে ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ বা সদস্যসকলে কেন্দ্রীয় লোকসেৱা আয়োগৰ অধ্যক্ষ বা সদস্য হিচাপে পুনৰ নিযুক্তি পাব পাৰে।

জটিল অপসাৰণ প্রক্রিয়া ঃ কেন্দ্রীয় লোকসেৱা আয়োগ আৰু ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ তথা সদস্যসকলক অসৎ আচৰণৰ ভিত্তিত ৰাষ্ট্রপতিৰ এক নির্দেশৰ জৰিয়তে অপসাৰণ কৰিব পৰা যায়। অৱশ্যে এই ক্ষেত্রত ৰাষ্ট্রপতিয়ে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ জৰিয়তে পঠিওৱা নির্দেশৰ জৰিয়তে তেওঁক/তেওঁলোকক দোষী সাব্যস্ত কৰিব লাগিব। কোনো লাভজনক চৰকাৰী ঠিকা বা চুক্তি আদিৰ প্রতি আকর্ষিত হ'লে বা অন্যান্য চৰকাৰী ক্ষেত্রত বিত্ত সম্পর্কীয় লেন-দেনৰ দ্বাৰা লাভান্বিত হোৱাৰ চেষ্টা কৰিলে অধ্যক্ষ বা সদস্যসকলক পদচ্যুতি ঘটাব পৰা যায়।

স্থায়ী সেৱাৰ চর্ত ঃ নিযুক্তিৰ পাছত আয়োগৰ সদস্যসকলে যাতে কোনো ধৰণৰ বিত্তীয় সংকটৰ মুখামুখি নহয় আৰু সেৱা আগবঢ়াওঁতে যাতে কোনো ধৰণৰ বিত্তীয় সমস্যাৰ সন্মুখীন হ'ব নালাগে তাৰ বাবে তেওঁলোকৰ দা-দৰমহা আৰু অন্যান্য ভাট্টাসমূহ ভাৰতবর্ষৰ সঞ্চিত নিধিৰ পৰা দিয়া হয়। সাংসদ বা ৰাজ্যিক বিধানমণ্ডলে ভোটদানৰ মাধ্যমেৰে ইয়াক ঠিৰাং নকৰে।

৭.৪.২ প্রশাসনীয় সংস্কাৰ আয়োগ (Administrative Reforms Commission) (১৯৬৬)ৰ পৰামর্শাৱলী

কেন্দ্রীয় লোকসেৱা আয়োগ আৰু ৰাজ্যিক লোকসেৱা আয়োগৰ স্বতন্ত্রতা আৰু কার্যদক্ষতা বৃদ্ধিৰ বাবে ১৯৬৬ চনৰ প্রশাসনীয় সংস্কাৰ আয়োগ বহুখিনি পৰামর্শ

আগবঢ়াইছে। ৰাজ্যিক লোকসেৱা আয়োগৰ গঠনৰ ক্ষেত্ৰত সংস্কাৰ আয়োগে কৈছে যে ইয়াৰ অধ্যক্ষজনক নিযুক্তি দিয়াৰ ক্ষেত্ৰত ৰাজ্যপালো কেন্দ্ৰীয় লোকসেৱাৰ অধ্যক্ষ তথা সেই ৰাজ্যৰ ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষৰ লগত আলোচনা কৰিব লাগে। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ সদস্যসকলক নিযুক্তিৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিয়ে UPSCৰ অধ্যক্ষজনৰ লগত বিষয়টো আলোচনা কৰা উচিত বুলি সংস্কাৰ আয়োগে ইয়াৰ পৰামৰ্শ আগবঢ়াইছে। সংস্কাৰ আয়োগে পৰামৰ্শ আগবঢ়াই কৈছে যে UPSCৰ সদস্য নিযুক্তিৰ ক্ষেত্ৰত ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ বা সদস্যসকলৰ দুই-তৃতীয়াংশৰ কম প্ৰতিনিধিত্ব হ'ব নালাগে। লোকসেৱা আয়োগৰ সদস্যপদ লাভ কৰিবৰ বাবে এজন ব্যক্তিৰ নিম্নতম শিক্ষাগত অৰ্হতা হৈছে স্নাতক।

কোনো বিষয়ৰ ক্ষমতা লোকসেৱা আয়োগৰ পৰা উঠাই লোৱাৰ ক্ষেত্ৰত চৰকাৰে আয়োগসমূহৰ লগত আগেয়ে আলোচনা কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত প্ৰশাসনীয় সংস্কাৰ আয়োগে গুৰুত্ব প্ৰদান কৰিছে। আয়োগে লগতে এই পৰামৰ্শও আগবঢ়াইছে যে কোনো অৰ্থ-চৰকাৰী অনুষ্ঠান বা প্ৰতিষ্ঠানৰ বিষয়া নিযুক্তি বা ক্ৰমোন্নতিৰ ক্ষেত্ৰত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ সহায় লোৱাটো বাঞ্ছনীয়; যিবোৰ ক্ষেত্ৰত চৰকাৰী পুঁজি সম্পূৰ্ণৰূপে বা আংশিকভাৱে খৰচ হয়। লোকসেৱা আয়োগসমূহে গৱেষণা কোষ (research cell)ৰ প্ৰতিষ্ঠা কৰিব লাগে যাতে নিযুক্তি প্ৰক্ৰিয়াৰ কাৰ্যকাৰিতা সন্দৰ্ভত বিচাৰ-বিশ্লেষণ কৰিব পৰা যায় আৰু শিক্ষাগত অৰ্হতা তথা বৃত্তিমুখী বজাৰৰ ধাৰাৰ ওপৰত সম্যক তথ্য মজুত থাকে।

ইয়াৰ উপৰি ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ বা সদস্য এজনক যিকোনো অসৎ আচৰণৰ বাবেও ৰাষ্ট্ৰপতিয়ে অপসাৰণ কৰিব পাৰে। অৱশ্যে, এনেকুৱা ঘটনাৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিয়ে বিষয়টোৰ অনুসন্ধানৰ কাৰণে উচ্চতম ন্যায়ালয়লৈ প্ৰেৰণ কৰে। উচ্চতম ন্যায়ালয়ে অনুসন্ধান কৰি অপসাৰণ কার্যটোক যদি সমৰ্থন কৰে তেতিয়া অপসাৰণৰ বাবে পৰামৰ্শ আগবঢ়ায় আৰু তেতিয়া ৰাষ্ট্ৰপতিয়ে অধ্যক্ষ বা সদস্য এজনক অপসাৰণ কৰিব পাৰে। সংবিধানৰ প্ৰদত্ত নিয়ম অনুসৰি উচ্চতম ন্যায়ালয়ৰ উপদেশ পত্ৰৰ ওচৰত ৰাষ্ট্ৰপতি দায়বদ্ধ। অৱশ্যে উচ্চতম ন্যায়ালয়ৰ দ্বাৰা অনুসন্ধান কার্য চলি থকাৰ সময়ছোৱাৰ মাজতে, উচ্চতম ন্যায়ালয়ৰ প্ৰতিবেদন মতে ৰাষ্ট্ৰপতিৰ চূড়ান্ত অপসাৰণ আদেশৰ অপেক্ষাৰত অৱস্থাতে ৰাজ্যপালে সংশ্লিষ্ট অধ্যক্ষ বা সদস্যক নিলম্বন কৰিব পাৰে। অৱশ্যে এই প্ৰসংগত সংবিধানে 'অসৎ আচৰণ' পৰিভাষাৰ ব্যাখ্যাও আগবঢ়াইছে। সংবিধানত কোৱা হৈছে যে, ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ বা যি কোনো এজন সদস্যক আচৰণৰ দোষত অভিযুক্ত কৰা হ'ব, যদিহে তেওঁ ভাৰত চৰকাৰৰ বা ৰাজ্য চৰকাৰ এখনৰ দ্বাৰা প্ৰস্তুত যি কোনো চুক্তি বা নিৰ্দেশ/নিয়ম পত্ৰক লৈ উদ্বিগ্ন বা অধিক আগ্ৰহী হৈ উঠে অথবা এনে চুক্তি বা নিয়ম পত্ৰৰ জৰিয়তে যদি তেওঁ যিকোনো ধৰণৰ লাভজনক পথ অৱলম্বন কৰে বা তাৰপৰা যদি লোকসেৱা আয়োগৰ এজন সদস্যতকৈ অন্যভাৱে আৰু অসংগঠিত প্ৰতিষ্ঠান বা কোম্পানীৰ সদস্যৰ দৰে লাভ উঠোৱাৰ চেষ্টা কৰে।



অনুশীলনী ৭.১

আপুনি অসম ৰাজ্যিক লোকসেৱা আয়োগৰ গঠনৰ বিষয়ে বাৰু কি জানে? বৰ্তমান অসমৰ ৰাজ্যিক লোকসেৱা আয়োগৰ গঠন সম্পৰ্কে এটা টোকা যুগুত কৰাৰ চেষ্টা কৰক।

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ প্রশাসনীয় সংস্কাৰ আয়োগ কেতিয়া গঠন কৰা হৈছিল?

.....

.....

প্রশ্ন নং ৫ ঃ লোকসেৱা আয়োগৰ স্বতন্ত্রতা কেনেদৰে নিশ্চিত কৰা হৈছে সেই সম্পৰ্কে এটি আলোচনামূলক টোকা প্রস্তুত কৰক।

.....

.....

প্রশ্ন নং ৬ ঃ ভাৰতীয় সংবিধানে কেন্দ্রীয় লোকসেৱা আয়োগৰ অধ্যক্ষজনক অৱসৰৰ পাছত কেন্দ্র বা ৰাজ্যিক চৰকাৰৰ অধীনত পুনৰ নিযুক্তিৰ সুবিধা প্রদান কৰিছে। (শুদ্ধ/অশুদ্ধ)

.....

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ সংবিধানৰ চতুর্দশ অধ্যায়ৰ (Part XIV) ৩১৫ ৰ পৰা ৩২৩ নং অনুচ্ছেদৰ কেন্দ্র আৰু প্রত্যেকখন ৰাজ্যত যথাক্রমে কেন্দ্রীয় লোকসেৱা আৰু ৰাজ্যিক লোকসেৱা আয়োগ স্থাপনৰ সুবিধা প্রদান কৰা হৈছে আৰু এককেকেইটা অনুচ্ছেদতে লোকসেৱা আয়োগ এখনৰ গাঁথনি, সদস্যৰ নিযুক্তি আৰু অপসাৰণ, ক্ষমতা আৰু কার্যাৱলী, স্বতন্ত্রতা আদি বিষয়সমূহো অন্তর্ভুক্ত হৈছে।

- ৰাজ্যখনৰ ৰাজ্যপালে নিযুক্তি দিয়া এজন অধ্যক্ষ আৰু আন আন সদস্যৰে ৰাজ্যিক লোকসেৱা আয়োগ এখন গঠন হয়।
- আয়োগৰ অধ্যক্ষ বা সদস্য এজন উক্ত পদবীত ৬ বছৰীয়া এটা কার্যকালৰ বাবে থাকে অথবা ৬২ বছৰ বয়স নোহোৱালৈকে থাকিব পাৰে। (এই ক্ষেত্ৰত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ বয়সৰ সীমাবদ্ধতা ৬৫ বছৰ)।
- ৰাষ্ট্ৰপতিয়ে অসৎ আচৰণৰ কাৰণে ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ বা আন যিকোনো সদস্যক অপসাৰণ কৰিব পাৰে। অৱশ্যে এনেক্ষেত্ৰত বিষয়টো অনুসন্ধানৰ বাবে ৰাষ্ট্ৰপতিয়ে উচ্চতম ন্যায়ালয়লৈ পঠিয়ায়। যদি উচ্চতম ন্যায়ালয়ে অনুসন্ধান কৰাৰ পাছত অপসাৰণ মোকৰ্দমাটো স্থগিত ৰাখে বা কোনো উপদেশ নিদিয়েও ৰাষ্ট্ৰপতিয়ে অধ্যক্ষ বা সদস্য জনক অপসাৰণ কৰিব পাৰে।
- ৰাজ্যিক লোকসেৱা আয়োগে ৰাজ্যিক সেৱাসমূহৰ লগত জড়িত সকলো বিষয়তে কার্য সম্পাদন কৰে। ঠিক একেদৰে কেন্দ্ৰীয় লোকসেৱা আয়োগে কেন্দ্ৰীয় সেৱাৰ লগত জড়িত বিষয়ত কার্য সম্পাদন কৰে।
- ৰাজ্যিক লোকসেৱা আয়োগে ৰাজ্যপালৰ ওচৰত ইয়াৰ সফলতাৰ কার্যক্ৰমৰ বছৰেকীয়া প্ৰতিবেদন প্ৰদান কৰে।
- কেন্দ্ৰীয় লোকসেৱা আয়োগৰ দৰে, ৰাজ্যিক লোকসেৱা আয়োগকো সুৰক্ষা, স্বতন্ত্ৰতা নিশ্চিতি আৰু নিযুক্তিৰ নিৰপেক্ষতাৰ ক্ষেত্ৰত কিছুমান সুবিধা প্ৰদান কৰিছে।



৭.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। স্নাতক মহলাৰ লোক প্ৰশাসন — ড° কৃপেশচন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক।

২। স্নাতক লোক প্ৰশাসন — ড° নিৰু হাজৰিকা।

৩। লোক প্ৰশাসন পৰিচয় — পুৰন্দৰ গগৈ।

ইংৰাজী গ্ৰন্থ ঃ

1) Avasthi, Amreswar, & Avasthi, Anand Prakash (1999). *Indian Administration.* Agra:Lakshmi Narain Agarwal.

2) Bhagwan, Vishnoo, & Bhushan, Vidya.(2007). *Public Administration*. New Delhi:S.Chand & Company Ltd.

3) Maheshwari, S.R. (2003). *Indian Administration*. New Delhi:Orient Longman.